পাঠ- ৭

# তথ্যৰ ব্যৱহাৰ

T7U2E4

## কোনে কি ফল ভাল পায়

চন্দ্ৰই তাৰ লগৰীয়াবোৰৰ লগত জিৰণিৰ সময়ত বিদ্যালয়ৰ চৌহদত থকা আঁহত জোপাৰ তলতে বহি কোনে কি ফল খাই ভাল পায় কথা পাতি আছিল। জিলিয়ে শ্ৰেণীকোঠাৰ পৰা বহী এখন আৰু পেঞ্চিল এডাল লৈ আনিলে। কোনটো ফল কেইজনে খাই ভাল পায় তাই তাৰে এখন তালিকা প্ৰস্তুত কৰিলে। তালিকাখন তলত দিয়া ধৰণৰ—



| ফলৰ নাম | ফলটো ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| কল | ☺ ☺ ☺ ☺ ☺ |
| আম | ☺ ☺ ☺ ☺ ☺ ☺ |
| কঁঠাল | ☺ ☺ |
| নাচপতি | ☺ ☺ ☺ |

☺-এ দুজন ছাত্ৰ বা ছাত্ৰীক বুজাইছে

**ওপৰৰ তথ্যৰ সহায়ত তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা**

- কল আৰু কঁঠাল মুঠ কিমানজন ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়? ☐
- কঁঠাল ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাতকৈ নাচপতি ভালপোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি নে কম? ☐
- কোনটো ফল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়? ☐

মনোজ, ৰিনদাও, বৰুণ, বিনীতা আৰু কবিতাহঁতৰ প্ৰত্যেকৰে লগত থকা গল্প কিতাপৰ সংখ্যা তলত দিয়া আছে।

| নাম | মনোজ | ৰিনদাও | বৰুণ | বিনীতা | কবিতা |
|---|---|---|---|---|---|
| কিতাপৰ সংখ্যা | ৪ খন | ৫ খন | ৯ খন | ৬ খন | ৭খন |

ওপৰৰ তথ্যখিনি চিত্ৰৰ সহায়ত দেখুওৱা

| | |
|---|---|
| মনোজ |  |
| ৰিনদাও | |
| বৰুণ | |
| বিনীতা | |
| কবিতা | |

 এখন কিতাপ বুজাইছে

**ওপৰৰ তথ্যৰ সহায়ত লিখা**

- কাৰ আটাইতকৈ বেছি সংখ্যক কিতাপ আছে?
- কাৰ আটাইতকৈ কম সংখ্যক কিতাপ আছে?
- বৰুণৰ সমান হ'বলৈ মনোজে আৰু কেইখন কিতাপ সংগ্ৰহ কৰিব লাগিব?
- ৰিনদাও আৰু বিনীতাৰ দুয়োৰে মিলি কিমান কিতাপ আছে?
- কবিতাতকৈ বৰুণৰ কেইখন কিতাপ বেছি আছে?

বিভিন্ন খেল খেলি ভাল পোৱা ছাত্ৰ-ছাত্ৰীৰ তথ্য তলত দিয়া ধৰণৰ --





| খেলৰ নাম | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|
| ফুটবল | ৫ |
| ক্ৰিকেট | ৮ |
| কাবাডী | ৪ |
| বেডমিণ্টন | ৬ |





ওপৰৰ তথ্যৰ সহায়ত দণ্ডচিত্ৰ আঁকো আহা



আগৰ পৃষ্ঠাৰ দণ্ডচিত্ৰখন চাই কোৱা আৰু লিখা

- ফুটবল আৰু ক্ৰিকেটৰ ভিতৰত কোনবিধ খেল বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভাল পায়? ☐
- শ্ৰেণীটোৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? ☐
- কাবাডী আৰু বেডমিণ্টন খেলি ভাল পোৱা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? ☐

**জানি লওঁ আহা ঃ** দণ্ডচিত্ৰ তথ্য প্ৰকাশ কৰাৰ এক উপায়। দণ্ডচিত্ৰত তথ্যসমূহ আয়তাকৃতিৰ সমান প্ৰস্থৰ দণ্ডৰ দ্বাৰা প্ৰকাশ কৰা হয়।

**শিশু দিৱসৰ দিনা এখন বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীসকলে মূৰত বিভিন্ন ৰঙৰ ফিতা মাৰিছিল। ফিতাৰ ৰং অনুযায়ী ছোৱালীৰ সংখ্যা তলৰ দণ্ডচিত্ৰত দেখুওৱা হৈছে।**




দণ্ডচিত্ৰখন চাই ৰং অনুযায়ী ফিতা মৰা ছোৱালীৰ সংখ্যা লিখা

 ১ ________  ________  ________

 ________  ________  ________

আত্মসহায়ক গোটৰ ধনেৰে নিৰ্মলা, নৰ্মদা, কমলা, নমিতাই সৰুকৈ ফাৰ্ম এখন খুলিলে। ফাৰ্মখনত থকা প্ৰাণী আৰু সিহঁতৰ সংখ্যাবোৰ দণ্ডচিত্ৰত চাওঁ আহা










**দণ্ডচিত্ৰখন চাই তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা**



ফাৰ্মখনত কোনবিধ প্ৰাণী আটাইতকৈ বেছিকৈ আছে?

= ...............

হাঁহ আৰু কুকুৰা মিলি মুঠতে কেইটা প্ৰাণী আছে?

= ............... টা

গৰুতকৈ ছাগলীৰ সংখ্যা .................... টা বেছি।

পাৰতকৈ কুকুৰাৰ সংখ্যা ...................... টা কম।

ফাৰ্মখনত মুঠতে কিমান সংখ্যক প্ৰাণী আছে? =..................টা।

## কাৰ হাতত কিমান আম আছে?

অনুজ, মানস, পাপৰি, মনোৰাৰা আৰু জিলমিলে বাৰীৰ পৰা আম বুটলিবলৈ গ'ল। অনুজে ২১টা, মানসে ৭ টা, পাপৰিয়ে ১৮টা, মনোৰাৰাই ১১টা আৰু জিলমিলে ১৫টা আম বুটলিলে। এই তথ্যখিনি দণ্ডচিত্ৰত প্ৰকাশ কৰা।




**ওপৰৰ দণ্ডচিত্ৰৰ পৰা উত্তৰ লিখোঁ আহা**



✦ পাঁচজনে মুঠ কিমানটা আম বুটলিলে? ............ টা

✦ আটাইতকৈ কম আম কোনে বুটলিলে? ............ টা

✦ মনোৰাৰাই পাপৰিতকৈ কিমানটা কম আম বুটলিলে? .......... টা

✦ আটাইতকৈ কোনে বেছি আম বুটলিলে? ............ টা

✦ জিলমিলৰ আমৰ সংখ্যা অনুজৰ সমান হ'বলৈ আৰু কেইটা আম বুটলিব লাগিব? ............ টা

**নিজে কৰা**

বাতৰি কাকতত দিয়া বৰষুণৰ পৰিমাণৰ তথ্য (এটা সপ্তাহৰ বাবে) সংগ্ৰহ কৰা। সংগ্ৰহ কৰা তথ্যৰ সহায়ত দণ্ডচিত্ৰ এখন প্ৰস্তুত কৰা। কোনদিনা বৰষুণৰ পৰিমাণ আটাইতকৈ বেছি আৰু কোনদিনা বৰষুণৰ পৰিমাণ আটাইতকৈ কম উলিওৱা।

*শিক্ষকলৈ নিৰ্দেশনা ঃ এনেধৰণৰ প্ৰকল্পৰ সহায়ত ছাত্ৰ-ছাত্ৰীক দণ্ডচিত্ৰ প্ৰস্তুত কৰিবলৈ দিব।*